# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 14-12-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

# HEADLINES

১।	লোকসভাত আজি ভাৰতীয় সংবিধানৰ ৭৫ বছৰীয়া গৌৰৱময়  যাত্ৰা সন্দৰ্ভত পুনৰ আলোচনা অনুষ্ঠিত হ'ব।

২।	নতুন দিল্লীত আজি মুখ্য সচিবসকলৰ চতুৰ্থ ৰাষ্ট্ৰীয় সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অধ্যক্ষতা কৰিব।

৩।	ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ঘাইপথৰ সুৰক্ষাৰ বাবে ৰাজমাৰ্গ সাথী নামৰ উন্নত ৰুট পেট্ৰ'লিং বাহন আৰ. পি. ভি. প্ৰৱৰ্তনৰ পৰিকল্পনা কৰিছে।

৪।	অসম চৰকাৰৰ বিকাশৰ ১২ দিনৰ কাৰ্যসূচীৰ জৰিয়তে কমেও ১০ লাখ লোক উপকৃত হ'ব বুলি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে।

*আৰু*

৫।	ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট  ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ব্ৰিছবেনত অনুষ্ঠিত হৈছে।

ooooo

লোকসভাত আজি ভাৰতীয় সংবিধানৰ ৭৫ বছৰীয়া গৌৰৱময় যাত্ৰা সন্দৰ্ভত পুনৰ আলোচনা অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লোকসভাত এই সন্দৰ্ভত হোৱা বিতৰ্কত ভাগ লোৱাৰ কথা আছে। সংবিধানৰ ৭৫ বছৰীয়া যাত্ৰা সন্দৰ্ভত কালি লোকসভাত হোৱা আলোচনাৰ পাতনি মেলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে ভাৰতীয় সংবিধানে সামাজিক,অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনৰ সকলো দিশ স্পৰ্শ কৰি ৰাষ্ট্ৰ গঠনৰ পথ প্ৰশস্ত কৰিছে। সংবিধানখন দেশৰ সভ্যতাৰ প্ৰমূল্যৰাজিৰ অভিব্যক্তিস্বৰূপ বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে সংবিধান সভাই ৰচনা কৰা সংবিধানখন অকল আনুষ্ঠানিক নথিয়েই নহয়, বৰং জনসাধাৰণৰ ইচ্ছাৰ অভিব্যক্তি আছিল।

বিৰোধী কংগ্ৰেছক পৰোক্ষভাৱে সমালোচনা কৰি শ্ৰীসিঙে কয়, যে যোৱা কেইটামান বছৰত সংবিধানখন এটা নিৰ্দিষ্ট দলৰ অৱদান বুলি প্ৰক্ষেপ কৰাৰ চেষ্টা কৰা হৈছে। তেওঁ কয়, যে সংবিধানখন কোনো এটা নিৰ্দিষ্ট দলৰ অৱদান নহয়, বৰং ভাৰতীয় প্ৰমূল্য অনুসৰি প্ৰণয়ন কৰা অভূতপূৰ্ব অতুলনীয় নথি। বৰ্তমান চৰকাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সবকা সাথ-সবকা বিকাশ- সবকা বিশ্বাস আৰু সবকা প্ৰয়াস ভাৱনাৰে কাম কৰি আহিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীসিঙে ভাৰতীয় সংবিধানখন প্ৰগতিশীল, সৰ্বাত্মক আৰু পৰিৱৰ্তনকামী বুলি অভিহিত কৰে। তেওঁ কয়, যে মদন মোহন মালব্য, লালা লাজপট ৰায়, ভগৎ সিং আৰু বীৰ সাৱৰকাৰৰ দৰে নেতাসকলৰ চিন্তাৰাজিয়ে সংবিধানখন শক্তিশালী কৰি তুলিছে।

আলোচনাত অংশ লৈ কংগ্ৰেছৰ প্ৰিয়ংকা গান্ধী ভাদ্ৰাই কয়, যে সংবিধানখন নাগৰিকসকলৰ বাবে সুৰক্ষা কৱচস্বৰূপ। সংবিধানখন ন্যায়, একতা আৰু অভিব্যক্তিৰ অধিকাৰৰ কৱচ বুলি সাংসদগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমতী ভাদ্ৰাই শাসকীয় পক্ষই এই সুৰক্ষা কৱচ ভঙাৰ চেষ্টা চলোৱা বুলি অভিযোগ তোলে। চৰকাৰে ব্যক্তিগতকৰণ আৰু লেটাৰেল এণ্ট্ৰি অৰ্থাৎ পৰম্পৰাগত চৰকাৰী সেৱাৰ বাহিৰৰ এগৰাকী ব্যক্তিক নিযুক্তি দিয়াৰ দৰে কামৰ জৰিয়তে চৰকাৰে সংৰক্ষণ ব্যৱস্থা দুৰ্বল কৰাৰ চেষ্টা চলোৱা বুলিও তেওঁ অভিযোগ তোলে। আলোচনাত ভাগ লৈ সমাজবাদী পাৰ্টীৰ নেতা অখিলেশ যাদৱে কয়, যে সংবিধান গণতন্ত্ৰৰ আত্মাস্বৰূপ। তেওঁ কয়, যে সদনে ৭৫ বছৰ পাছত পুনৰ সংবিধানক লৈ আলোচনা কৰিবলৈ লৈছে। শ্ৰীযাদৱে কয়, যে সংবিধানখন দেশৰ নিপীড়িত, বঞ্চিতসকলৰ প্ৰকৃত ৰক্ষক। তেওঁ লগতে প্ৰতিনিধিত্ব আৰু সংৰক্ষণৰ অভাৱত ভালেমান সম্প্ৰদায়ে জীয়াতু ভূগিবলগীয়া হৈছে বুলিও দাবী কৰে।

আলোচনাত অংশ লৈ ডি এম কেৰ টি আৰ বালুৱে কয়, যে সমাজবাদ আৰু ধৰ্ম-নিৰপেক্ষতা অকল প্ৰস্তাৱনাৰ অংশই নহয়, বৰং ভাৰতীয় গণতন্ত্ৰ আৰু সৰ্বাত্মক অভিযানৰ সাৰমৰ্ম স্বৰূপ।

জনতা দল ইউনাইটেডৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে কয়, যে সংবিধানে সমাজৰ সকলো শ্ৰেণীৰ বাবে সামাজিক আৰু অৰ্থনৈতিক প্ৰগতিৰ পথ প্ৰশস্ত কৰি আহিছে। জনসাধাৰণে সংবিধান বিনষ্ট কৰিব খোজাসকলক তেওঁলোকৰ স্থান দেখুৱাই দিছে বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে।

তৃণমূল কংগ্ৰেছৰ কল্যাণ বেনাৰ্জী, টি ডি পিৰ সাংসদ ডঃ বায়ৰেড্ডী শ্বাবাৰী, উদ্ধৱ বালা থাকৰে গোটৰ শিৱসেনাৰ অৰবিন্দ সাৱন্ত, বিজেপিৰ জগদম্বিকা পাল আৰু ভাৰত্ৰুহৰি মেহতাব, এন চি পি (এছ পি)ৰ অমোল ৰামসিং কোহলে, চি পি আইৰ সুব্ৰায়ন, টি এম চি সাংসদ মহোৱা মৈত্ৰ, জে ডি এছৰ মল্লেশ বাবুকে ধৰি অন্যান্য সদস্যসকলেও এই আলোচনাত ভাগ লয়।

০০০০০

শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰ দিশানায়কে কাইলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ভাৰতলৈ আহিব। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে  কয়, যে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ পাছত এয়া শ্ৰীদিশানায়কেৰ প্ৰথম ভ্ৰমণ হ'ব। তেওঁ কয়, যে এই তিনিদিনীয়া ভ্ৰমণকালত অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক, আঞ্চলিক আৰু পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আন্তঃৰাষ্ট্ৰীয় বিষয় লৈ আলোচনা কৰিব। মুখপাত্ৰগৰাকীয়ে কয়, যে শ্ৰীদিশানায়কে দিল্লীত হ'বলগীয়া এটা ব্যৱসায় অনুষ্ঠানত ভাগ ল'ব আৰু বুদ্ধগয়ালৈও যাব। মুখপাত্ৰগৰাকীয়ে লগতে কয়, যে তেওঁৰ এই ভ্ৰমণে ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ বহুপাক্ষিক আৰু পাৰস্পৰিক সহযোগিতা অধিক সুদৃঢ় কৰিব।

পশ্চিম এছিয়ালৈ ভাৰতীয়সকলৰ প্ৰত্যাৱৰ্তন সন্দৰ্ভত বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ শ্ৰীজয়ছোৱালে কয়, যে ভাৰতলৈ ওভতি আহিব বিচৰা ৭৭ গৰাকী লোকক নিৰাপদে ছিৰিয়াৰ পৰা লৈ অনা হৈছে। তেওঁ কয়, যে ছিৰিয়া আৰু লেবানন দুটাৱাসৰ সহযোগত এই ৭৭ গৰাকী লোকক লেবাননৰ মাজেৰে ভাৰতলৈ অনা হৈছে।

বৈদেশিক সচিব বিক্ৰম মিশ্ৰিৰ বাংলাদেশ ভ্ৰমণ সন্দৰ্ভত শ্ৰীজয়ছোৱালে কয়, যে বৈদেশিক সচিবগৰাকীয়ে এখন গণতান্ত্ৰিক, সুস্থিৰ, শান্তিপূৰ্ণ আৰু প্ৰগতিশীল বাংলাদেশৰ বাবে ভাৰতৰ সমৰ্থন সন্দৰ্ভত আলোকপাত

কৰিছে। শ্ৰীমিশ্ৰিয়ে লগতে বাংলাদেশত থকা সংখ্যালঘু লোকসকলৰ কল্যাণ তথা সুৰক্ষা সন্দৰ্ভত ভাৰতৰ উদ্বেগ সন্দৰ্ভতো গুৰুত্ব আৰোপ কৰে।

কানাডাত ৩ গৰাকী ভাৰতীয় শিক্ষাৰ্থীৰ মৃত্যুৰ বিষয়টো সন্দৰ্ভত বৈদেশিক মন্ত্ৰ্যালয়ৰ মুখপাত্ৰগৰাকীয়ে কয়, যে ভাৰতে এই বিষয়টো কানাডা প্ৰশাসনৰ ওচৰত উত্থাপন কৰিছে।

ooooo

নতুন দিল্লীত আজি মুখ্য সচিবসকলৰ চতুৰ্থ ৰাষ্ট্ৰীয় সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অধ্যক্ষতা কৰিব। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত অংশীদাৰিত্ব আৰু অধিক শক্তিশালী কৰা তথা সহযোগিতা বৃদ্ধিৰ লগতে দ্ৰুত বিকাশ আৰু উন্নয়ন নিশ্চিত কৰাটোৱেই এই সন্মিলনৰ মূল লক্ষ্য। ২০২২ চনৰ জুনত ধৰমশালাত প্ৰথমবাৰৰ বাবে এই সন্মিলন অনুষ্ঠিত হৈছিল। সেইদৰে যোৱাবছৰ জানুৱাৰী আৰু ডিচেম্বৰত নতুন দিল্লীত ক্ৰমে দ্বিতীয় আৰু তৃতীয় সন্মিলন অনুষ্ঠিত হৈছিল। আমাৰ আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে, মুখ্য সচিব, ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ জ্যেষ্ঠ চৰকাৰী বিষয়া তথা বিশেষজ্ঞসকল উপস্থিত থাকিব।

ooooo

ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ঘাইপথৰ সুৰক্ষাৰ বাবে ৰাজমাৰ্গ সাথী নামৰ উন্নত ৰুট পেট্ৰ'লিং বাহন আৰ পি ভি প্ৰৱৰ্তনৰ পৰিকল্পনা কৰিছে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰ্যালয়ে কৈছে, যে আৰ পি ভিয়ে ৰাষ্ট্ৰীয় ঘাইপথৰ পৰিস্থিতিৰ নিৰীক্ষণ আৰু সঁহাৰিৰ বাবে ঘাইপথ পৰিদৰ্শন কৰিব। নতুন আৰ পি ভিসমূহত জৰুৰীকালীন সঁহাৰিৰ বাবে বন্ধ কেবিনেট আৰু এ আই সমৰ্থিত ডাচবোৰ্ড কেমেৰা সংলগ্ন হৈ থাকিব। যান-জঁট প্ৰতিহত কৰা, পথ সুৰক্ষা উন্নত কৰা আৰু সামগ্ৰীকভাৱে ৰাষ্ট্ৰীয় ঘাইপথত যাত্ৰাৰ সময়ত সুন্দৰ অভিজ্ঞতা আহৰণৰ বাবে এই বাহনসমূহ উন্নত যোগাযোগ আৰু সুৰক্ষা সঁজুলিৰে সজাই তোলা হৈছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰে কালি নতুন দিল্লীত পৰ্টুগালৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী পাউল' ৰেংগলৰ সৈতে আলোচনাত মিলিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়তে ডঃ জয়শংকৰে কয়, যে আলোচনাৰ সময়ত অংশীদাৰিত্বৰ লগতে শক্তি, প্ৰযুক্তি, ডিজিটেল, ঐতিহ্য আৰু সামুদ্ৰিক ক্ষেত্ৰত নতুন সুযোগৰ সন্ধান কৰে। দুয়োগৰাকী নেতাই পশ্চিম এছিয়া, ইউক্ৰেইন আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চল সন্দৰ্ভতো মত বিনিময় কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে দুয়োখন দেশৰ বহুপাক্ষিক সহযোগিতা আৰু ভাৰত-ইউৰোপীয় সংঘৰ শক্তিশালী সম্পৰ্কৰ বাবে পৰ্টুগালৰ শলাগ লয়।

ooooo

অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কৈছে, যে ৰাজ্য চৰকাৰৰ ১২ দিনৰ বিকাশৰ কাৰ্যসূচীৰ যোগেৰে কমেও ১০ লাখ লোক উপকৃত হ'ব। যোৰহাটত অনুষ্ঠিত কালি এটা অনুষ্ঠানত ভাগ লৈ মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, বিত্ত, উদ্যোগ আৰু বাণিজ্য আদি বিভিন্ন বিভাগসমূহৰ জৰিয়তে অদূৰ ভৱিষ্যতে ৰাজ্যখনৰ বহুলোক পোনপটীয়াকৈ উপকৃত হ'ব। তেওঁ লগতে কয়, যে চৰকাৰে অন্যান্য বিত্তীয় আঁচনিৰ জৰিয়তে আৰ্থিক বৃদ্ধি সমৰ্থনৰ পৰিকল্পনা কৰিছে। ২০২৬ চনত ১৫ হাজাৰ টকা লাভ কৰাৰ ব্যৱস্থা কৰা হৈছে যাতে মহিলাসকলে বিত্তীয় প্ৰতিষ্ঠানৰ পৰা অধিক ঋণ লাভ কৰিব পাৰে। তেওঁ কয়, যে বিকাশৰ ১২ দিনীয়া কাৰ্যসূচীৰ অংশ হিচাপে শিক্ষা বিভাগে ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিববৈলে ৩ খন বিশেষ গুৰুত্বপূৰ্ণ আঁচনি হাতত লৈছে।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট  ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ প্ৰথম দিনা ঘৰুৱা দল অষ্ট্ৰেলিয়াই নিজৰ প্ৰথম ইনিংছত এই বাতৰি যুগুতোৱা পৰলৈকে  কোনো উইকেট নেহেৰুৱাকৈ ১০ অভাৰত ২৬ ৰান সংগ্ৰহ কৰিছে। ব্ৰিছবেনত অনুষ্ঠিত খেলখনত  ভাৰতে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। এই খেলখনৰ বাবে ভাৰতীয় দলত ৰবিচন্দ্ৰন অশ্বিন আৰু হৰ্ষিত ৰাণাৰ ঠাইত ৰবীন্দ্ৰ জাদেজা আৰু আকাশদ্বীপক অন্তৰ্ভুক্ত কৰা হৈছে। অষ্ট্ৰেলিয়াৰ দলটোত স্কট ব'লেণ্ডৰ ঠাইত জ'শ্ব হেজেলউদক অন্তৰ্ভুক্ত কৰা হৈছে। পাঁচখনীয়া খেলৰ এই শৃংখলাত দুয়োটা দলে বৰ্তমানলৈ ১-১ত সমতা স্থাপন কৰি আছে। ভাৰতে শৃংখলাৰ প্ৰথমখন খেলত ২৯৫ ৰাণত জয়লাভ কৰিছে। একেদৰে, অষ্ট্ৰেলিয়াই দ্বিতীয়খন খেলত ১০ উইকেটত জয়লাভ কৰিছে।

০০০০০

**সমাপ্ত**